# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ১৩ নৱেম্বৰ ২০২০ চনত মছজিদ মোবাৰক,ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা খোতবা জুমাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা সম্পন্ন বদৰি চাহাবা হজৰত আব্দুল্লাহ বিন উমৰু আৰু হজৰত আবু দুজানা (ৰাঃ)ৰ পৱিত্ৰ গুণাৱলীৰ ঈমান উদ্দীপক চমু বিৱৰণী**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু চুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজি বদৰি চাহাবা সকলৰ বিষয়ে বৰ্ণনা কৰা হ'ব। আগতে হজৰত আব্দুল্লাহ বিন উমৰু (ৰাঃ)ৰ বিষয়ে বৰ্ণনা চলি আছিল। হজৰত জাবিৰ বিন আব্দুল্লাহ বৰ্ণনা কৰিছে যে উহুদৰ যুদ্ধৰ দিনা মোৰ দেউতাকক নবী কৰিম (ছাঃ)ৰ ওচৰত এনে অৱস্থাত লৈ অনা হৈছিল যে তেখেতৰ শৰীৰৰ অংগবোৰ কাটি পেলোৱা হৈছিল। বিশেষকৈ নাক আৰু কাণ কাটি পেলোৱা আছিল। তেখেতৰ মৃত শৰীৰ ৰছুলুল্লাহ (ছাঃ)ৰ সন্মুখত আনি ৰখা হৈছিল। তেতিয়া মই তেখেতৰ মুখ মণ্ডলৰ পৰা কাপোৰ গুচাবলৈ লওঁতেই লোকে মোক মানা কৰিছিল। ইয়াৰ পিছত লোক সকলে এজনী মহিলাৰ চিঞৰি কন্দা শুনিবলৈ পাইছিল। তেতিয়া কোনোবা এজনে কৈছিল যে সেইজনী হজৰত আব্দুল্লাহ বিন উমৰু (ৰাঃ)ৰ জীয়েক হয়। তাইৰ নাম হজৰত ফাতিমা বিনতে উমৰু আছিল। অথবা এয়াও উল্লেখ আছে যে তাই হজৰত আব্দুল্লাহ বিন উমৰু (ৰাঃ)ৰ ভনীয়েক আছিল। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল, নেকান্দিবা! কাৰণ ফিৰিস্তাই এখেতৰ ওপৰত ডেউকাৰে ছাঁ দি ৰৈ আছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে উহুদৰ যুদ্ধৰ শ্বহীদ সকলৰ নমাজে জানাজা সম্পৰ্কে বিভিন্ন মতামত আছে। ছহী বুখাৰীত উল্লেখিত বৰ্ণনাত হজৰত জাবিৰ বিন আব্দুল্লাহ (ৰাঃ)য়ে উল্লেখ কৰিছে যে শ্বহীদ সকলক গা ধুওৱা হোৱা নাছিল আৰু তেওঁলোকৰ জানাজাও পঢ়া হোৱা নাছিল। ছহী বুখাৰীৰ আন এটা বৰ্ণনাত উল্লেখ আছে যে আঁ-হজৰত (ছাঃ)য়ে উহুদৰ যুদ্ধৰ শ্বহীদ সকলৰ নমাজ জানাজা পঢ়িছিল। ছহী বুখৰীৰ আন এটা ৰিৱায়তত আছে যে আঁ-হজৰত (ছাঃ)য়ে উহুদৰ শ্বহীদ সকলৰ জানাজা উহুদৰ যুদ্ধৰ ৮ বছৰ পিছত গৈ পঢ়িছিল। ছুনন ইবনে মাজাত উল্লেখ আছে যে তেখেত (ছাঃ)য়ে দহ জনকৈ শ্বহীদৰ জানাজা একেলগে পঢ়াইছিল আৰু প্ৰত্যেক বাৰেই হজৰত হামজা (ৰাঃ)ৰ শৱ মোবাৰক আঁ-হজৰত (ছাঃ)ৰ ওচৰতেই থাকিছিল কিন্তু বাকী শ্বহীদ সকলক আঁতৰাই লৈ যোৱা হৈছিল। ছুনন আবু দাউদত উল্লেখ আছে যে শ্বহীদ সকলক নিজৰ নিজৰ তেজৰে সৈতে অৰ্থাৎ ক্ষত স্থানৰ তেজৰ সৈতেই দফন কৰা হৈছিল আৰু তেওঁলোকৰ মাজৰ কাৰো জানাজা পঢ়া নাছিল। ছিৰত খাতামান্নাবীঈনত হজৰত মিৰ্জা বশ্বিৰ আহমদ এম,এ (ৰাঃ)য়ে লিখিছে যে শ্বহীদ সকলৰ জানাজা তেতিয়া লগে লগে পঢ়া হোৱা নাছিল। কিন্তু পিছত আঁ-হজৰত (ছাঃ)ৰ মৃত্যুৰ আগৰ ওচৰা-ওচৰি সময়ছোৱাত উহুদৰ শ্বহীদ সকলৰ নমাজে

জানাজা আদায় কৰা হৈছিল।

হজৰত জাবিৰ বিন আব্দুল্লাহ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মই উহুদৰ যুদ্ধৰ ছয় মাহ পিছত মোৰ দেউতাকৰ বাবে কবৰ বনাইছিলো আৰু তেখেতক সেই কবৰত দফন কৰিছিলোঁ; তেতিয়া মই তেখেতৰ শৰীৰৰ কোনো পৰিৱৰ্তন হোৱা দেখা নাছিলো।

হজৰত জাবিৰ বিন আব্দুল্লাহ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মোক ৰছুলুল্লাহ (ছাঃ)য়ে লগ পাই কৈছিল, হে জাবিৰ! কি খবৰ; মই যেন তোমাক চিন্তান্বিত দেখিবলৈ পাইছো। মই নিবেদন কৰিছিলোঁ ইয়া ৰছুলুল্লাহ (ছাঃ) মোৰ দেউতা উহুদৰ যুদ্ধত শ্বহীদ হৈ গৈছে। কিন্তু তেখেতে ঋণ আৰু সন্তান এৰি থৈ গৈছে। তেখেত (ছাঃ)য়ে কৈছিল- কিয় মই তোমাক সেই বিষয়ে সুসংবাদ নিদিম নে ? যাৰ কাৰণে আল্লাহ তা'লা তোমাৰ দেউতাৰ লগত সাক্ষাৎ কৰিছে। মই নিবেদন কৰিছিলোঁ হয় কওঁক। ইয়া ৰছুলুল্লাহ (ছাঃ), তেখেত (ছাঃ)য়ে কৈছিল- আল্লাহ তা'লা কাৰো সৈতে কথা নাপাতে কিন্তু পৰ্দাৰ আঁৰৰ পৰা কথা পাতে। কিন্তু আল্লাহ তোমাৰ দেউতাকক জীৱিত কৰি মুখামুখি কথা পাতিছে আৰু কৈছে হে মোৰ বান্দা মোৰ ওচৰত প্ৰাৰ্থনা কৰা, মই যেন তোমাক দিওঁ তেতিয়া তেখেতে নিবেদন কৰিছিল যে হে মোৰ প্ৰভু ! মোক আকৌ জীৱন্ত কৰা যাতে মই আকৌ তোমাৰ বাটত শ্বহীদ হ'ব পাৰো। তেতিয়া আল্লাহ তা'লা কৈছে যে মই এয়া সিদ্ধান্ত আগবঢ়াইছো যে যিয়ে এবাৰ মৃত্যু বৰণ কৰে; তেওঁক দ্বিতীয়বাৰ আৰু জগতলৈ ওভতাই পঠোৱা নহয়। তেতিয়া হজৰত আব্দুল্লাহ বিন উমৰু (ৰাঃ)য়ে আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰিছিল যে হে মোৰ প্ৰভু! মোৰ পিছত ৰৈ থকা সকললৈ এই সংবাদ পৌছাই দিয়া। সেই সময়তে আল্লাহ তা'লা এই আয়াত অৱতীৰ্ণ কৰিছে, وَلَا تَحْسَبَنَّ الَّذِيْنَ قُتِلُوْا فِيْ سَبِيْلِ اللّٰهِ اَمْوَاتًا ؕ بَلْ اَحْيَآءٌ عِنْدَ رَبِّهِمْ يُرْزَقُوْنَ অৰ্থাৎ যিজন আল্লাহৰ বাটত মৃত্যু বৰণ কৰিছে; তোমালোকে তেওঁলোকক কেতিয়াও মৃত নেভাৱিবা,বৰং তেওঁলোকে জীৱিত। তেওঁলোকক তেওঁলোকৰ প্ৰভুৰ তাতে ৰিজক প্ৰদান কৰা হৈ আছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এতিয়া যিজন চাহাবীৰ বিষয়ে আলোচনা কৰা হ'ব তেখেতৰ নাম হ'ল হজৰত আবু দুজানা (ৰাঃ)। আনছাৰ কবিলা খজৰজৰ এটা শাখা বনু ছাআদৰ সৈতে এখেতৰ সম্পৰ্ক আছিল। হজৰত আবু দুজানা (ৰাঃ)বদৰৰ যুদ্ধ উহুদৰ যুদ্ধ আদি কৰি সকলো যুদ্ধত ৰছুলুল্লাহ (ছাঃ)ৰ লগত যোগ দিছিল। হজৰত আবু দুজানা (ৰাঃ)ক কোবাৰ আনছাৰ চাহাবা সকলৰ মাজত গণ্য কৰা হৈছিল। ৰছুলুল্লাহ (ছাঃ)ৰ সময়ত সংগঠিত হোৱা সকলো যুদ্ধতেই এখেত (ৰাঃ)ৰ প্ৰধান প্ৰধান ভূমিকা আছিল। যেতিয়া যুদ্ধ আৰম্ভ হৈছিল তেতিয়া হজৰত দুজানা (ৰাঃ)য়ে বৰ বীৰত্ব প্ৰদৰ্শন কৰিছিল আৰু এখেত (ৰাঃ)বৰ বিচক্ষণ আশ্বাৰোহী আছিল। এখেত (ৰাঃ)ৰ ওচৰত এখন ৰঙা ৰুমাল আছিল; সেয়া তেখেতে যুদ্ধৰ সময়ত মূৰত বান্ধি ৰণ ভূমিত পৰ্দাপন কৰিছিল। যেতিয়া সেই ৰঙা ৰুমাল এখেতে মূৰত বান্ধিছিল তেতিয়া লোকে জানিছিল যে তেখেতে যুদ্ধৰ বাবে সাজু হৈ গৈছে। হজৰত আবু দুজানা (ৰাঃ)ক সাহসী আৰু বীৰ লোক সকলৰ এজন বুলি গন্য কৰা হৈছিল। মহম্মদ বিন ইব্ৰাহিম নিজৰ দেউতাকৰ পৰা শুনি বৰ্ণনা কৰিছে যে হজৰত আবু দুজানা (ৰাঃ)ক ৰণ ভূমিত নিজৰ মূৰৰ ৰঙা পাগুৰিৰ বাবে চিনিব পৰা গৈছিল,আৰু এই পাগুৰি বদৰৰ ৰণ ভূমিতেও তেখেতৰ মূৰত আছিল। মহম্মদ বিন উমৰে বৰ্ণনা কৰিছে যে হজৰত আবু দুজানা (ৰাঃ)য়ে উহুদৰ যুদ্ধতও এইদৰেই (ৰঙা পাগুৰি বান্ধি) অংশ গ্ৰহণ কৰিছিল আৰু ৰছুলুল্লাহ (ছাঃ)ৰ সৈতে বীৰ দৰ্পে দৃঢ় প্ৰতিষ্ঠিত আছিল আৰু মৰণত শৰণ দি যুঁজ দিছিল। উহুদৰ যুদ্ধৰ দিনা হজৰত আবু দুজানা (ৰাঃ)আৰু হজৰত মুছায়েব বিন উমেৰ (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ক ভৰপুৰ ৰক্ষণা-বেক্ষণ কৰিছিল। হজৰত আবু দুজানা (ৰাঃ)য়ে সেইদিনা বৰকৈ আঘাত প্ৰাপ্ত হৈছিল আৰু হজৰত মুছায়েব বিন উমেৰ (ৰাঃ)য়ে শ্বাহাদত বৰণ কৰিছিল।

হজৰত আনছ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে উহুদৰ দিনা ৰছুলুল্লাহ (ছাঃ)য়ে এখন তৰোৱাল হাতত লৈ কৈছিল- مَنْ يَأْخُذُ مِنِّي هٰذَا অৰ্থাৎ এইটো মোৰ পৰা কোনে ল'ব ? তেতিয়া প্ৰত্যেকেই হাত আগবঢ়াইছিল আৰু তেওঁলোকে প্ৰত্যেকেই কৈছিল- মই ল'ম, মই ল'ম। আঁ-হজৰত (ছাঃ)য়ে কৈছিল- فَمَنْ يَأْخُذُهُ بِحَقِّهِ কোনে এইটো ইয়াৰ অধিকাৰ প্ৰদানাৰ্থে লৈ ল'ব ? হজৰত আনছ (ৰাঃ)য়ে কৈছে যে এয়া শুনি লোক সকলে ক্ষান্ত হৈ পৰিছিল তেতিয়া হজৰত আবু দুজানা (ৰাঃ)য়ে কৈছিল যে মই এইটো ইয়াৰ অধিকাৰ প্ৰদানাৰ্থে লৈ আছো। হজৰত আনছ (ৰাঃ) য়ে কৈছে যে তেখেতে তৰোৱাল খন লৈ লৈছিল আৰু মুশৰিক সকলৰ মূৰ ফালি দিছিল।

আন এটা বৰ্ণনাত উল্লেখ আছে যে হজৰত আবু দুজানা (ৰাঃ)য়ে সুধিছিল যে তৰোৱাল খনৰ হক কি ? আঁ-হজৰত (ছাঃ) কৈছলি যে ইয়াৰ দ্বাৰা কোনো মুছলমানক হত্যা কৰিব নোৱাৰা। এই কথা শুনি হজৰত আবু দুজানা (ৰাঃ)য়ে নিবেদন কৰিছিল যে মই এই তৰোৱাল খন ইয়াৰ অধিকাৰ প্ৰদানাৰ্থে লৈ লৈছো। যেতিয়া নবী (ছাঃ)য়ে হজৰত আবু দুজানা (ৰাঃ)ক তৰোৱাল খন প্ৰদান কৰিছিল তেতিয়া হজৰত আবু দুজানা (ৰাঃ)য়ে সেই তৰোৱালেৰে মুশৰিকৰ মূৰ ফালি দিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত খলিফাতুল মছীহ ছানি (ৰাঃ)য়ে উহুদৰ যুদ্ধত ৰছুলুল্লাহ (ছাঃ)য়ে এখন তৰোৱাল আগবঢ়াই কৈছিল- এই তৰোৱালখন মই সেইজন ব্যক্তিক দিম,যিজনে ইয়াৰ অধিকাৰ প্ৰদানৰ প্ৰতিশ্ৰুতি দিব। বহু কেইজন লোক তৰোৱাল খন ল'বলৈ থিয় হৈছিল,কিন্তু তেখেত (ছাঃ)য়ে আবু দুজানা (ৰাঃ)আনছাৰীক তৰোৱালখন দিছিল। এঠাইত মক্কাৰ কিছুমান সৈন্যই হজৰত আবু দুজানাৰ ওপৰত আক্ৰমণ চলাইছিল। এখেত (ৰাঃ)য়ে দেখিছিল যে এজন সৈন্যই আটাইতকৈ বেছি আগ্ৰহৰে উক্ত আক্ৰমণত ভাগ লৈ আছে। এখেত (ৰাঃ)য়ে তৰোৱাল হাতত লৈ তাৰ ফালে আগবাঢ়ি গৈছিল কিন্তু তাক এৰি পিছুৱাই আহিছিল। হজৰত আবু দুজানা (ৰাঃ)ৰ কোনো এজন বন্ধুৱে সুধিছিল যে আপুনি তাক কিয় এৰি দিলে ?তেতিয়া এখেত (ৰাঃ)য়ে উত্তৰত কৈছিল যে যেতিয়া মই তাৰ ওচৰ পাইছিলো তেতিয়া তাৰ মুখৰ পৰা এনেকুৱা এটা বাক্য শুনিবলৈ পাইছিল যে যাৰ পৰা মোৰ অনুমান হৈছিল যে তেওঁ পুৰুষ নহয় মহিলাহে। হজৰত আবু দুজানা (ৰাঃ)য়ে কৈছিল যে মোৰ হৃদয়ত এয়া সহ্য কৰিব পৰা নাই যে মই ৰছুলুল্লাহ (ছাঃ)ৰ প্ৰদত্ত তৰোৱালেৰে এজনী দুৰ্বল মহিলাক প্ৰহাৰ কৰো। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে ইয়াৰ উদ্দেশ্য হ'ল আঁ-হজৰত (ছাঃ)য়ে সদায় মহিলাৰ মৰ্যদা আৰু সন্মান অক্ষুন্ন ৰখাৰ শিক্ষা দিছিল। যাৰ ফলত কাফিৰ সকলৰ মহিলা সকলে বেছি সাহসেৰে মুছলমান সকলৰ ক্ষতি সাধন কৰাৰ চেষ্টা কৰিছিল। তথাপি কিন্তু মুছলমান সকলে সেই আচৰণ সহ্য কৰি গৈছিল।

জায়েদ বিন আছমান বৰ্ণনা কৰিছে যে হজৰত আবু দুজানা (ৰাঃ)য়ে বেমাৰত পৰা অৱস্থাত লোক সকলে তেখেতক দেখিবলৈ আহিছিল, কিন্তু তেখেত (ৰাঃ)ৰ শাৰীৰিক অৱস্থা বৰ সতেজ দেখা গৈছিল। কোনোবাই তেখেতক সুধিছিল যে আপোনাৰ শৰীৰ কিয় সতেজ দেখা গৈ আছে ? তেতিয়া হজৰত আবু দুজানা (ৰাঃ)য়ে উত্তৰত কৈছিল মোৰ আমলৰ মাজত দুটা কাম এনেকুৱা আছে, যি মোৰ মতে বৰ গুৰুত্ব বহুল আৰু দৃঢ় প্ৰতিষ্ঠিত। ইয়াৰে প্ৰথম হ'ল মই কেতিয়াও এনেকুৱা কথা কোৱা নাই যাৰ মোৰ সৈতে কোনো সম্পৰ্ক নাই। দ্বিতীয় হ'ল এয়া যে মোৰ হৃদয় মুছলমান সকলৰ নিমিত্তে সদায় পৱিত্ৰ আছে। হজৰত আবু দুজানা (ৰাঃ)য়ে ইয়ামামাৰ যুদ্ধত শ্বহীদ হৈছিল। মুছায়লামা কাযযাবে ৰছুলুল্লাহ (ছাঃ)ৰ তিৰুধানৰ পিছত মিছা নবুয়তৰ দাবী উত্থাপন কৰি মদিনা আক্ৰমণৰ প্ৰস্তুতি চলাইছিল তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে তাক দমন কৰিবলৈ ১২ হিজৰীত সৈন্যদল প্ৰেৰণ কৰিছিল। হজৰত আবু দুজানা (ৰাঃ)য়েও সেই সৈন্যদলত অংশ গ্ৰহণ কৰিছিল। হজৰত আবু দুজানা (ৰাঃ)য়ে ইয়ামামাৰ যুদ্ধত প্ৰাণ পণে যুঁজ দিছিল আৰু শ্বাহাদতৰ মৰ্যাদা লাভ কৰিছিল।

হুজুৰ  আনোৱাৰ (আইঃ)য়ে খোতবা জুমাৰ শেষত এজন শ্বহীদৰ বিষয়ে উল্লেখ কৰে। মাননীয় মেহেবুব খান চাহাব ইবনে ছৈয়দ জালাল চাহাব, জিলা পেশাৱৰ; এখেতক আহমদীয়তৰ বিৰুদ্ধবাদী সকলে ৮ নৱেম্বৰ ২০২০ চনত পুৱা ৮ বজাত শেখ মহম্মদ গাওঁ পেশাৱৰত গুলিয়াই শ্বহীদ কৰি দিয়ে। ইন্না লিল্লাহি ওৱা ইন্না ইলাইহি ৰাজিউন। এনেদৰে ফখৰ আহমদ ফাৰাখ চাহাব (মুৰববী ছিলছিলা) আৰু এখেতৰ পুত্ৰ এহতিস্বাম আব্দুল্লাহ (ওৱাকফে নু) দুয়ো পিতা পুত্ৰ ১ নৱেম্বৰ ২০২০ চনত এটা পথ দুৰ্ঘটনাত থিতাতে নিহত হয়। ইন্না লিল্লাহি ওৱা ইন্না ইলাইহি ৰাজিউন। আকৌ মাননীয় ডাক্তৰ আব্দুল কৰিম চাহাব ইবনে মিয়া আব্দুল লতিফ চাহাব (ৰাৱোৱা) ১৪ চেপ্তেম্বৰ ২০২০ চনত ৯২ বছৰ বয়সত মৃত্যু বৰণ কৰিছে। ইন্না লিল্লাহি ইন্না ইলাইহি ৰাজিউন। উক্ত মৰহুমিন সকলৰ পৱিত্ৰ গুণাৱলী বৰ্ণনা কৰি দোৱা কৰে যে আল্লাহ তা'লা মৰহুমিন সকলৰ মৰ্যাদা উন্নীত কৰক। এখেত সকলৰ উত্তৰাধীকাৰী সকলে যেন এখেত সকলৰ নেকি জাৰি ৰাখিব পাৰে তাৰ বাবে আল্লাহ তা'লা সৌভাগ্য দান কৰক। ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) যে উক্ত মৰহুমিন সকলৰ নমাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। আমিন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ۔ عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**KHULASA KHUTBA JUMA HUZOOR ANWAR (aba) 13 NOVEMBER 2020**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**